# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 26-05-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN
**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে ভাৰতৰ মূল লক্ষ্য হৈছে দৰিদ্ৰতা নিৰ্মুল কৰাৰ লগতে দেশৰ অৰ্থনীতিৰ বিকাশ সাধন কৰা।

২। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সমগ্ৰ দেশ আজি সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হোৱা বুলি ঘোষণা কৰিছে।

৩। বিগত ১০ বছৰত দেশৰ স্বাস্থ্য আন্তঃগাথনিৰ অভূতপূৰ্ব পৰিৱৰ্তন হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে।

৪। বিদেশ মন্ত্ৰী ড° এছ্‌ জয়শংকৰে কৈছে যে পাকিস্তানৰ চহৰ নগৰৰ পৰাই সন্ত্ৰাসবাদী সংগঠনসমূহে প্ৰত্যক্ষভাৱে ভাৰত বিৰোধী অভিযানত জড়িত হৈ আছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত পাঞ্জাব কিংছ-মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে পাকিস্তানৰ একমাত্ৰ লক্ষ্য হৈছে ভাৰতক ক্ষতি কৰা। কিন্তু ভাৰতৰ লক্ষ্য হৈছে দৰিদ্ৰতা নিৰ্মূল কৰাৰ লগতে দেশৰ অৰ্থনীতিৰ বিকাশ সাধন কৰা। তেওঁ লগতে কয়, যে ভাৰতে সশস্ত্ৰ বাহিনীক শক্তিশালী কৰাৰ লগতে অৰ্থনীতি উন্নয়নৰ জৰিয়তে ভাৰতৰ বিকাশ সাধন কৰিব বিচাৰে। আজি গুজৰাটৰ দাহোদত অনুষ্ঠিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ লগতে কয়, যে ভাৰতে বিকশিত ভাৰতৰ লক্ষ্যৰে নিৰন্তৰভাৱে দেশৰ অৰ্থনীতি শক্তিশালী কৰাৰ চেষ্টা কৰি আহিছে। জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে অপাৰেশ্বন সিন্দূৰ কেৱল সামৰিক কাৰ্যব্যৱস্থা নহয়, বৰঞ্চ ই হৈছে সমগ্ৰ দেশবাসীৰ অনুভূতিৰ বহিঃপ্ৰকাশ। তেওঁ কয় যে পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীয়ে ১৪০ কোটি ভাৰতীয়ক প্ৰত্যাহ্বান জনাইছিল আৰু ভাৰত চৰকাৰে সন্ত্ৰাসবাদীক ধ্বংস কৰিবলৈ ৩ টা সশস্ত্ৰ বাহিনীক সম্পূৰ্ণ অধিকাৰ দিছিল। সেনাই সেই অধিকাৰৰ সৎ ব্যৱহাৰ কৰি সীমান্তৰ  সীপাৰৰ ৯ টাকৈ সন্ত্ৰাসবাদীৰ ঘাটি অপাৰেশ্বন সিন্দূৰৰ জৰিয়তে ধ্বংস কৰিছিল। দেশৰ অৰ্থনীতিৰ উন্নয়নৰ প্ৰসংগ উত্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে ঘৰুৱা চাহিদা পূৰণৰ বাবে উৎপাদনখণ্ডত অধিক মনোনিবেশ কৰিছে আৰু আন দেশলৈ সামগ্ৰী ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। এখন দেশৰ প্ৰগতিৰ বাবে ঘৰুৱা উৎপাদন বৃদ্ধি কৰাটো প্ৰাথমিক প্ৰয়োজনীয়তা। তেওঁ আৰু কয়, যে স্মাৰ্ট ফোনৰ পৰা প্ৰতিৰক্ষা সামগ্ৰীলৈকে সম্প্ৰতি ভাৰতে ঘৰুৱাভাৱে উৎপাদন কৰিছে। ৰে'ল, মেট্ৰো আৰু আন প্ৰয়োজনীয় প্ৰযুক্তিসমূহ দেশতে উৎপাদন কৰাৰ লগতে সমগ্ৰ বিশ্বৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰা হৈছে। মেড ইন ইণ্ডিয়া ইঞ্জিন এতিয়া অন্য দেশলৈ ৰপ্তানী কৰা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁ ১১

বছৰ পূৰ্বে আজিৰ দিনটোতে প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। এই সময়চোৱাত চৰকাৰে সঠিক সময়ত শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰিব পৰাৰ বাবে দেশে এতিয়া প্ৰতিটো খণ্ডতে অগ্ৰগতি লাভ কৰিছে। ১৪০ কোটি জনতাই দেশক বিকশিত ভাৰত হিচাপে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হৈছে বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত ভাষণ দি ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে বিগত এঘাৰ বছৰত ৰেল খণ্ডৰ পৰিৱৰ্তন সাধনৰ বাবে নৰেন্দ্ৰ মোদী চৰকাৰে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰীৰ সময়োচিত পদক্ষেপৰ বাবে দাহোদত অত্যাধুনিক কাৰখানা নিৰ্মাণ কৰা হৈছে আৰু ইয়াত নিৰ্মাণ কৰা  বৈদ্যুতিক ইঞ্জিনসমূহ অন্য দেশলৈ ৰপ্তানী কৰা হ'ব। ইয়াৰ পূৰ্বে  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ বডোডৰাত ২৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ০০০০

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে সমগ্ৰ দেশ আজি সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হৈছে। সমগ্ৰ দেশে আজি আমাৰ সশস্ত্ৰ বাহিনীৰ বীৰত্বক লৈ গৌৰৱ অনুভৱ কৰিছে। মধ্য প্ৰদেশৰ নৰসিংপুৰত ৩ দিনীয়াকৈ অনুষ্ঠিত কৃষি উদ্যোগ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অপাৰেশ্বন সিন্দূৰৰ জৰিয়তে সন্ত্ৰাসবাদীক দিয়া শিক্ষাই সমগ্ৰ দেশবাসীক আশ্বস্ত কৰিছে। সমগ্ৰ বিশ্বকে নৰেন্দ্ৰ মোদীয়ে প্ৰত্যক্ষভাৱে এটা স্পষ্ট বাৰ্তা দিলে বুলিও উপৰাষ্ট্ৰপতিগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। কৃষকসকলক সম্বোধন কৰি তেওঁ লগতে কয়, যে কৃষকসকলে কেৱল উৎপাদন ক্ষেত্ৰতে সীমাবদ্ধ নাথাকি ব্যৱসায়িক দৃষ্টিভংগীৰেও বিষয়সমূহ আগুৱাই নিলেহে দেশে প্ৰকৃত উন্নয়ন লাভ কৰিব। বিজেপি চৰকাৰে কৃষকসকললৈ আগবঢ়োৱা ৰাজসাহায্যৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে বহু কৃষকে এই সাহায্যৰ কথা প্ৰত্যক্ষভাৱে উপলব্ধি নকৰিব পাৰে কিন্তু চৰকাৰে যদি এই সাহায্যৰ পৰিৱৰ্তে নগদ ধন প্ৰদান কৰিলেহেতেন তেন্তে প্ৰতি বছৰে ৩০ ৰ পৰা ৩৫ হাজাৰ টকা প্ৰতিজন কৃষকে লাভ কৰিলেহেতেন।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে বিগত ১০ বছৰত দেশৰ স্বাস্থ্য আন্তঃগাথনিৰ অভূতপূৰ্ব পৰিৱৰ্তন হৈছে। নাগপুৰৰ জামাথা অঞ্চলত নেচনেল কেঞ্চাৰ ইন্সটিটিউটত কৰ্কট ৰোগীৰ আত্মীয়ৰ সুবিধাৰ বাবে নিৰ্মাণ কৰিবলগীয়া এটা আৱাসিক ভৱনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত তেওঁ এই মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা স্বাস্থ্য সুবিধা সন্দৰ্ভত আলোকপাত কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয় যে স্নাতক আৰু স্নাতকোত্তৰ চিকিৎসা পাঠ্যক্ৰমত চিকিৎসালয় আৰু আসনৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰা হৈছে। এই অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবীজ আৰু বিজেপিৰ ৰাজ্যিক সভাপতি চন্দ্ৰশেখৰ বাওনাকোলে উপস্থিত থাকে। ইয়াৰ পিছতে গৃহমন্ত্ৰীগৰাকীয়ে নাগপুৰ জিলাৰ চিচলিত ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নিতিন গাডকাৰীও উপস্থিত থাকে।

আনহাতে, মহাৰাষ্ট্ৰৰ নানদেদত অনুষ্ঠিত আন এখন জনসভাত ভাষণ দি কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদ আৰু নক্সালবাদ সন্দৰ্ভত মোদী চৰকাৰৰ অদম্য স্থিতিৰ কথা পুনৰ দোঁহাৰে। শেহতীয়াকৈ সংঘটিত পেহেলগাম কাণ্ডৰ কথা উল্লেখ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে সীমান্তৰ সীপাৰৰ সন্ত্ৰাসবাদীৰ ঘাটিসমূহক লক্ষ্য কৰি ভাৰতে চলোৱা অপাৰেশ্বন সিন্দূৰৰ জৰিয়তে ভাৰতৰ দ্ৰুত আৰু নিৰ্ণায়ক ভূমিকাক লৈ আলোকপাত কৰে। তেওঁ কয় যে এই

অভিযানে বিশ্ববাসীলৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। নতুন ভাৰতে দেশৰ জনতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পৰা কোনো শক্তিকে প্ৰশ্ৰয় নিদিয়ে সেই কথা এই অভিযানে প্ৰমাণ কৰি দিলে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ কয়লা খণ্ডৰ যাত্ৰাক প্ৰশংসা কৰিছে। কেন্দ্ৰীয় কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ এটা প্ৰবন্ধ সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰি কয়, যে এই প্ৰবন্ধটো চৰকাৰৰ পৰিৱৰ্তনশীল যাত্ৰাৰ এটা দশকৰ প্ৰতিচ্ছবি। বিগত এটা দশকত ভাৰতৰ কয়লা খণ্ডত যি অভূতপূৰ্ব উত্থান, সেই উত্থানক সুন্দৰৰূপে প্ৰবন্ধটোত উল্লেখ কৰা হৈছে। চত্তিশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণুদেউ সাইৰ আন এটা প্ৰবন্ধ সামাজিক মাধ্যমত শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে জনজাতীয় কল্যান, নিৰাপত্তা আৰু উন্নয়নে চত্তিশগড়ৰ নতুন অধ্যায়ৰ চিত্ৰনাট্য লিখিছে। এই প্ৰবন্ধটোত জনকেন্দ্ৰীক শাসনব্যৱস্থাৰ শক্তিক প্ৰতিফলিত কৰি কিদৰে ৰাজ্য এখন উন্নয়নৰ দিশলৈ আগবাঢ়িব পাৰে সেই তথ্য সুন্দৰকৈ দাঙি ধৰিছে।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে পাকিস্তানৰ চহৰ নগৰৰ পৰাই সন্ত্ৰাসবাদী সংগঠনসমূহে প্ৰত্যক্ষভাৱে ভাৰত বিৰোধী অভিযানত জড়িত হৈ আছে। তেওঁ কয়, যে পাকিস্তানত সন্ত্ৰাসবাদ হৈছে মুকলি ব্যৱসায়। এই ব্যৱসায়ত পাকিস্তানৰ সামৰিক আৰু অসামৰিক সকলো পক্ষ জড়িত হৈ থাকে। জাৰ্মানীৰ এখন বাতৰি কাকতৰ সৈতে হোৱা সাক্ষাৎকাৰত এই কথা উল্লেখ কৰি জয়শংকৰে আৰু কয়, যে ভাৰত বিৰোধী শক্তিলৈ দেশে এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰিছে যাতে ভৱিষ্যতে যিকোনো আক্ৰমণৰ পূৰ্বে সেই শক্তিয়ে পুনৰ চিন্তা কৰি চাবলগীয়া হয়।

০০০০০

পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ বিষয়াক দেশৰ স্পৰ্শকাতৰ তথ্য প্ৰদান কৰাৰ অভিযোগত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা-এন আই এয়ে আজি এজন চি আৰ পি এফ জোৱানক গ্ৰেপ্তাৰ কৰিছে। এন আই এ জনোৱা মতে, অভিযুক্ত চি আৰ পি এফ জোৱানজনে ২০২৩ চনৰ পৰাই পাকিস্তানৰ চোৰাংচোৱা সংস্থাৰ বিষয়াৰ সৈতে ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় গোপন তথ্য আদান প্ৰদান কৰিছিল আৰু ইয়াৰ বিনিময়ত পাকিস্তানৰ পৰা বিভিন্ন মাধ্যমেৰে জোৱানজনে মোটা অংকৰ ধন লাভ কৰিছিল। তদন্তকাৰী সংস্থাটোৱে জোৱানজনক জেৰা অব্যাহত ৰাখিছে। গ্ৰেপ্তাৰ কৰাৰ পিছতে তেওঁক পাতিয়ালা হাউচ কোৰ্টৰ বিশেষ আদালতত হাজিৰ কৰাই ৬ জুনলৈকে নিজৰ জিম্মাত লৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা সংঘাতক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিন আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'দিমিৰ জেলেনেস্কিৰ ভূমিকাক সমালোচনা কৰি তেওঁ কয়, যে দুয়োখন দেশে সংযম ৰক্ষা কৰি চলিলে নিৰিহ জনতাৰ প্ৰাণ ৰক্ষা পৰিব। উল্লেখযোগ্য যে শেহতীয়াকৈ ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত ক্ৰমাগতভাৱে আক্ৰমণ চলোৱাৰ পিছত ৰাষ্ট্ৰপতিগৰাকীৰ এই মন্তব্যই যথেষ্ট তাৎপৰ্য বহন কৰিছে। ৰাছিয়াৰ শেহতীয়া আক্ৰমণত ইউক্ৰেইনত শিশু-মহিলাসহ বহু লোকৰ মৃত্যু হোৱাৰ লগতে শতাধিক লোক আহত হৈছে।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাৰ আজি কিছুসময়ৰ পিছত জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পইণ্টৰ তালিকাত গুজৰাট টাইটান্‌ছ দলটো সম্প্ৰতি শীৰ্ষস্থানত আছে যদিও আজিৰ খেলত পঞ্জাব আৰু মুম্বাইৰ মাজৰ জয়লাভ কৰা দলটোৱে গুজৰাটক চেৰ পেলাই আগবাঢ়ি যাব পাৰিব। আনহাতে, খেলখনত পৰাজয়বৰণ কৰা দলটোৱে কেৱল ফাইনেলত স্থান লাভ কৰাৰ অতিৰিক্ত সুযোগ এটা হেৰুওৱাই নহয়, বৰঞ্চ প্লে' অফৰ পূৰ্বৰ পৰ্যায়ত গতি হেৰুওৱাৰো সম্ভাৱনা থাকিব। একেদৰে প্লে'অফত স্থান নিশ্চিত কৰা চতুৰ্থটো দল ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বাবেও পইণ্টৰ তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰাৰ সুযোগ লাভ কৰিব পৰাকৈ এখন খেল খেলিবলৈ বাকী আছে।

ooooo

সমাপ্ত